# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 26-07-2026
**Time :** 0705 hrs

*Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব

২। প্ৰহ্লাদ যোশীক দেশৰ পৰৱৰ্তী শিক্ষামন্ত্ৰী হিচাপে নিযুক্তি দিয়া হৈছে।

৩। চৰকাৰৰ সৈতে সহমতত উপনীত হোৱাৰ পাছত চি জে পিয়ে তেওঁলোকৰ আন্দোলন প্ৰত্যাহাৰ কৰিছে।

৪। কেন্দ্ৰীয় চৰকাৰে লোক পৰীক্ষা অসাধু পন্থা প্ৰতিৰোধ সংশোধনী বিধেয়ক ২০২৬ কাইলৈ লোকসভাত উত্থাপন কৰিব।

*আৰু*

৫। অনাহত সিঙে জুনিয়ৰ বিশ্ব স্কোৱাছ চেম্পিয়নশ্বিপৰ খিতাপ দখল কৰি ইতিহাস ৰছনা কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩৬ সংখ্যক খণ্ড।

এই অনুষ্ঠান আকাশবাণী-দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি বিয়লি চাৰে ৪ বজাত ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে **বিকশিত ভাইব্ৰেণ্ট ভিলেজ** কাৰ্যসূচী ২০২৬ৰ অংশগ্ৰহণকাৰীসকলৰ সৈতে মত বিনিময় কৰিব। কাৰ্যসূচীত ৪০০ৰ অধিক যুৱক-যুৱতীয়ে দেশৰ বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলক প্ৰতিনিধিত্ব কৰিব। লাডাখ, হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ডৰ ৭৪ খন ভাইব্ৰেণ্ট ভিলেজ সামৰি যোৱা মাহৰ ৪ৰ পৰা ৩০ তাৰিখলৈ দুটা পৰ্যায়ত এই **বিকশিত ভাইব্ৰেণ্ট ভিলেজ** কাৰ্যসূচী ২০২৬ৰ আয়োজন কৰা হৈছে। সমগ্ৰ দেশজুৰি এই কাৰ্যসূচীৰ বাবে অনলাইন কুইজ প্ৰতিযোগিতাৰ জৰিয়তে প্ৰায় তিনি লাখৰো অধিক অংশগ্ৰহণকাৰী নিৰ্বাচন কৰা হৈছে। এই কাৰ্যসূচীৰ অংশ হিচাপে অংশগ্ৰহণকাৰীসকলে স্থানীয় লোকসকলৰ সৈতে বসবাস কৰি স্বচ্ছতা অভিযান, চৰকাৰী আঁচনিৰ সজাগতা অভিযান, যুৱ সন্মিলন, সাংস্কৃতিক বিনিময় কাৰ্যসূচী, বৃক্ষৰোপণ অভিযান, স্থানীয় শিপিনীসকলৰ সৈতে মত বিনিময়

কাৰ্যসূচীত ভাগ লয়। **বিকশিত ভাইব্ৰেণ্ট ভিলেজ** কাৰ্যসূচীয়ে অংশগ্ৰহণকাৰীসকলক ভাৰতৰ সীমান্তৱৰ্তী অঞ্চলসমূহৰ আৰ্থ সামাজিক পৰিৱেশ, সাংস্কৃতিক ঐতিহ্য আৰু উন্নয়নৰ আকাংক্ষাৰ সৈতে প্ৰত্যক্ষভাৱে পৰিচয় কৰাই দিয়াৰ লগতে স্থানীয় লোকৰ অংশগ্ৰহণ, ৰাষ্ট্ৰীয় সংহতি আৰু সীমান্তৱৰ্তী গাঁওসমূহৰ কৌশলগত গুৰুত্ব বুজি পোৱাৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰে।

উল্লেখযোগ্য যে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৃষ্টিভংগী বাস্তবায়িত কৰিবলৈ My Bharatৰ জৰিয়তে এই কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে।

ooooo

প্ৰহ্লাদ যোশী দেশৰ পৰৱৰ্তী শিক্ষামন্ত্ৰী হ'ব। শ্ৰীযোশী বৰ্তমানৰ গ্ৰাহক পৰিক্ৰমা, খাদ্য আৰু ৰাজহুৱা বিতৰণ তথা নতুন আৰু নবীকৰণযোগ্য শক্তি মন্ত্ৰীৰ উপৰি শিক্ষামন্ত্ৰীৰ অতিৰিক্ত দায়িত্ব অৰ্পণ কৰা হৈছে। ইপিনে, ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কেন্দ্ৰীয় মন্ত্ৰী পৰিষদৰ পৰা ধৰ্মেন্দ্ৰ প্ৰধানৰ পদত্যাগ পত্ৰ গ্ৰহণ কৰিছে।

ooooo

চৰকাৰৰ সৈতে সহমতত উপনীত হোৱাৰ পাছত চি জে পিয়ে তেওঁলোকৰ আন্দোলন প্ৰত্যাহাৰ কৰিছে। কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডা আৰু ডং জিতেন্দ্ৰ সিঙে কালি নতুন দিল্লীত চি জে পি প্ৰতিনিধি দলৰ সৈতে তৃতীয় লানি আলোচনাত মিলিত হয়। বৈঠকত পৰীক্ষা ব্যৱস্থাৰ সংস্কাৰ আৰু প্ৰশ্নকাকত ফাদিলৰ ঘটনা ৰোধৰ উপায় সম্পৰ্কে আলোচনা কৰা হয়। আলোচনাৰ অন্তত চি জে পি প্ৰতিনিধি দলৰ সৈতে যুটীয়া সংবাদমেলত অংশগ্ৰহণ কৰি শ্ৰীনাড্ডাই কয়, যে বৈঠকত চৰকাৰে প্ৰতিবাদকাৰীসকলৰ বিৰুদ্ধে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ আৰু এজাহাৰ ৰুজু কৰা উচিত নহয় বুলি চি জে পিয়ে জনোৱা দাবী মানি লয়। শ্ৰীনাড্ডাই কয়, যে চৰকাৰে লগতে ইতিমধ্যে যদি এজাহাৰ ৰুজু কৰা হৈছে তেন্তে সেই এজাহাৰ প্ৰত্যাহাৰ কৰিবলৈ আৰু এজাহাৰৰ প্ৰতিলিপি প্ৰদান কৰিবলৈও সন্মতি প্ৰকাশ কৰে। চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ পৰীক্ষা নীট ইউ জিৰ প্ৰশ্নকাকত ফাদিলৰ পাছত আত্মহত্যা কৰা শিক্ষাৰ্থীসকলৰ পৰিয়ালবৰ্গলৈ ক্ষতিপূৰণ আগবঢ়োৱা সন্দৰ্ভত শ্ৰীনাড্ডাই কয়, যে চৰকাৰে যাৱতীয় নীতি-নিয়ম অনুযায়ী তেওঁলোকক সৰ্বাধিক ক্ষতিপূৰণ প্ৰদান কৰাটো সুনিশ্চিত কৰিব।

***বাইট- জে পি নাড্ডা***

পৰীক্ষা প্ৰণালীৰ সংস্কাৰ সাধনৰ বাবে চি জে পিয়ে আগবঢ়োৱা ৫ দফীয়া ছনদ সন্দৰ্ভত শ্ৰীনাড্ডাই কয়, যে চৰকাৰে বিষয়টো গভীৰভাৱে বিবেচনা কৰিব আৰু চি জে পিৰ সৈতে আলোচনাৰ পাছত পৰৱৰ্তী ব্যৱস্থা গ্ৰহণ কৰিব।

***বাইট- জে পি নাড্ডা***

চি জে পিৰ মুখ্য মুখপাত্ৰ সৌৰভ দাসে সহমতত উপনীত হোৱা চৰ্তসমূহ নিৰ্দিষ্ট সময়ত ৰূপায়ণ কৰা হ'ব বুলি আস্থা প্ৰকাশ কৰি সংবাদমেলত আন্দোলন প্ৰত্যাহাৰৰ কৰাৰ কথা ঘোষণা কৰে।

ooooo

চৰকাৰে কাইলৈ লোক পৰীক্ষা অসাধু পন্থা প্ৰতিৰোধ সংশোধনী বিধেয়ক, ২০২৬ লোকসভাত উত্থাপন কৰিব। বিধেয়কখন সদনৰ কাইলৈৰ কাৰ্যক্ৰমণিকাত অন্তৰ্ভুক্ত কৰা হৈছে।

এই বিধেয়কখনৰ জড়িয়তে ২০২৪-চনৰ লোক পৰীক্ষা অসাধু পন্থা প্ৰতিৰোধ আইনখন সংশোধন কৰিব বিচৰা হৈছে। কেন্দ্ৰীয় মন্ত্ৰী ডঃ জীতেন্দ্ৰ সিঙে এই বিধেয়কখন উত্থাপন কৰিব।

কেন্দ্ৰীয় মন্ত্ৰী সভাই শুকুৰবাৰে প্ৰশ্নকাকত ফাদিল আৰু পৰীক্ষাৰ অনিয়ম ৰোধ কৰাৰ উদ্দেশ্যে এনে ঘটনাত বিচাৰ কৰিবলৈ দ্ৰুত আদালত গঠন আৰু দোষীসকলক কঠোৰ শাস্তি বিহাৰ বাবে এখন খচৰা বিধেয়কত অনুমোদন দিছিল।

০০০০০

মোলদোভা, উত্তৰ মেচিডোনিয়া আৰু ৰোমানিয়াৰ ভ্ৰমণ সামৰি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আজি পুৰা নতুন দিল্লীলৈ উভতি আহে। এই ভ্ৰমণকালত ৰাষ্ট্ৰপতিগৰাকীয়ে এই তিনিখন ইউৰোপীয় দেশৰ সৈতে ভাৰতৰ কৌশলগত অংশীদাৰিত্ব শক্তিশালী কৰা আৰু পাৰস্পৰিক স্বাৰ্থজড়িত ক্ষেত্ৰসমূহত সহযোগিতা সম্প্ৰসাৰণৰ লক্ষ্যৰে উচ্চস্তৰীয় বৈঠকত অংশগ্ৰহণ কৰে।

ৰাষ্ট্ৰপতিগৰাকীৰ এই ভ্ৰমণ বিভিন্ন ক্ষেত্ৰত ঐতিহাসিক হিচাবে বিবেচিত হৈছে। ইয়াৰ ভিতৰত উল্লেখযোগ্য হৈছে, মোলদোভা আৰু উত্তৰ মেচিডোনিয়ালৈ কোনো ভাৰতীয় ৰাষ্ট্ৰপতিৰ প্ৰথম ৰাষ্ট্ৰীয় ভ্ৰমণ আৰু তিনিদশকৰো অধিক সময়ৰ পিছত ৰোমানিয়ালৈ কোনো ভাৰতীয় ৰাষ্ট্ৰপতিৰ প্ৰথম ৰাষ্ট্ৰীয় ভ্ৰমণ। এই ভ্ৰমণৰ সময়ত ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে দেষকেইখনৰ ৰাষ্ট্ৰপ্ৰধানসকলৰ সৈতে প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হয়। তেওঁ লগতে বিভিন্ন ব্যৱসায়িক মঞ্চত ভাষণ দিয়ে আৰু প্ৰবাসী ভাৰতীয়সকলৰ সৈতেও মত-বিনিময় কৰে।

ৰাষ্ট্ৰপতিগৰাকীয়ে ৰোমানিয়াৰ বুখাৰেষ্ট ইউনিভাৰ্ছিটি অৱ ইকনমিক ষ্টাডীজৰ পৰা সন্মানীয় স্বীকৃতিও লাভ কৰে, যিয়ে ভাৰত আৰু ৰোমানিয়াৰ মাজত ক্ৰমবৰ্ধমান শৈক্ষিক আৰু জনসাধাৰণৰ মাজৰ সম্পৰ্কক প্ৰতিফলিত কৰে। ভ্ৰমণকালত তেওঁ ভাৰতৰ দ্ৰুত অৰ্থনৈতিক বিকাশ, প্ৰযুক্তিগত অগ্ৰগতি আৰু গোলকীয় সহযোগিতাৰ প্ৰতি থকা দায়বদ্ধতাৰ কথা উল্লেখ কৰে। শ্ৰীমতী মূৰ্মুৱে লগতে বাণিজ্য, উদ্ভাৱন, শিক্ষা, ডিজিটেল প্ৰযুক্তি আৰু নৱীকৰণযোগ্য শক্তিৰ ক্ষেত্ৰত শক্তিশালী অংশীদাৰিত্বক উৎসাহিত কৰে।

ৰাষ্ট্ৰপতিগৰাকীৰ এই ভ্ৰমণে পূব ইউৰোপৰ সৈতে ভাৰতৰ সম্পৰ্কক এক নতুন গতি প্ৰদান কৰিছে আৰু মোলদোভা, উত্তৰ মেচিডোনিয়া আৰু ৰোমানিয়াৰ সৈতে দ্বিপাক্ষিক সম্পৰ্ক অধিক গভীৰ কৰি তুলিছে।

০০০০০

১৯৯৯ চনত কাৰ্গিল যুদ্ধত প্ৰান আহুতি দিয়া ভাৰতীয় সৈনিকৰ অসীম বীৰত্বৰ প্ৰতি সন্মান জনাই সমগ্ৰ দেশত আজি ২৭ সংখ্যক কাৰ্গিল বিজয় দিৱস পালন কৰা হৈছে। এই অভিযানৰ সময়ত ভাৰতীয় সশস্ত্ৰ বাহিনীসমূহে পাকিস্তানী সৈনিক আৰু সন্ত্ৰাসবাদীয়ে অনুপ্ৰৱেশ কৰা জম্মু-কাশ্মীৰৰ কাৰ্গিলৰ ভূখণ্ডক নিজৰ নিয়ন্ত্ৰণলৈ আনিছিল।

০০০০০

শীৰ্ষ বাছনিপ্ৰাপ্ত অনাহত সিঙে কানাডাত অনুষ্ঠিত জুনিয়ৰ বিশ্ব স্কোৱাছ চেম্পিয়নশ্বিপৰ খিতাপ দখল কৰি ইতিহাস ৰছনা কৰিছে। অনাহতে কালি ছোৱালীৰ ছিংগলছৰ ফাইনেলত ইজিপ্তৰ ৰুকেইয়া ছালেমক ১১-৩, ১১-৭, ১১-৯ পোনপটীয়া গেমত পৰাভূত কৰে। এই জয়ৰ সুবাদত অনাহত জুনিয়ৰ বিশ্ব স্কোৱাছ চেম্পিয়নশ্বিপৰ খিতাপ দখল কৰা দেশৰ প্ৰথমগৰাকী স্কোৱাছ খেলুৱৈ হিচাপে পৰিগণিত হয়।

০০০০০

ভাৰতে কালি হাৰাৰেত অনুষ্ঠিত তিনিখনীয়া টি-টুৱেণ্টি ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেলত ঘৰুৱা দল জিম্বাব্‌ৱেক ৯০ ৰানত পৰাস্ত কৰি শৃংখলাত অপ্ৰতিৰোধ্য অগ্ৰগতি লাভ কৰে। জিম্বাব্‌ৱে ২২০ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰ আৰু ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১২৯ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ অভিষেক শৰ্মাই তিনিটা উইকেট দখল কৰে। প্ৰথমখন আন্তঃৰাষ্ট্ৰীয় খেলত অৱতীৰ্ণ য়ছ ঠাকুৰ আৰু প্ৰিন্স যাদৱে দুটাকৈ উইকেট লাভ কৰে। ইয়াৰ পূৰ্বে ভাৰতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ২১৯ ৰান কৰে। ভাৰতৰ হৈ ঈশান কিষানে ৪৪টা বলত ৮১ ৰান আৰু তিলক বাৰ্মাই ২৯টা বলত ৬০ ৰান কৰে।

০০০০০

এফ.আই.এইচ. ইউথ হকী 5এছ এছিয়ান চেম্পিয়নশ্বিপৰ কালি অনুষ্ঠিত ফাইনেলত ভাৰতীয় চাব-জুনিয়ৰ পুৰুষ দলটোৱে চিৰপ্ৰতিদ্বন্দী পাকিস্তানক ৩-১ গ'লত পৰাস্ত কৰে। ৰোমিত পাল, অধিনায়ক কেতন কুশৱাহা আৰু শ্বাহৰুখ আলীৰ গ'লৰ সহায়ত ভাৰতে এছিয়ান চেম্পিয়নৰ খিতাপ দখল কৰে। এই জয়ৰ জৰিয়তে ভাৰতীয় পুৰুষ দলটোৱে 'এলিট পুল' তালিকাৰ শীৰ্ষত স্থান লাভ কৰে। আনহাতে মহিলাৰ শাখাত, ভাৰতীয় চাব-জুনিয়ৰ মহিলা দলে চীনৰ বিৰুদ্ধে যুঁজ দি ৰূপৰ পদক অৰ্জন কৰে।

০০০০০

**সমাপ্ত**